সামাজিক শিক্ষা বিভাগ

# চমু জীৱনী

শ্ৰীবিপিনচন্দ্ৰ শৰ্মা বৰুৱা

সামাজিক শিক্ষা বিভাগ

# জীৱনী

> অন্ধকাৰৰ পৰা মোক পোহৰলৈ নিয়া
> অজ্ঞতাৰ পৰা জ্ঞানৰ পথ দেখুওৱা
> মৃত্যুৰ পৰা নি অমৰত্ব দান কৰা।"
>
> উপনিষৎ

লিখক

শ্ৰীবিপিনচন্দ্ৰ শৰ্ম্মা বৰুৱা বি-এ

টীয়ক

১৯৫০

সামাজিক শিক্ষা বিভাগৰ হকে
শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মাৰ দ্বাৰা
প্ৰকাশিত।

গুৱাহাটী, কামধেনু প্ৰেছত
মুদ্ৰিত।

# সূচী


| বিষয় | | পিঠি |
|---|---|---|
| ১। ৺আনন্দৰাম বৰুৱা | .... | ১ |
| ২। ৺মাণিকচন্দ্ৰ বৰুৱা | .... | ৩ |
| ৩। ৺লক্ষ্মীনাথ বেজবৰুৱা | ... | ৫ |
| ৪। ৺তৰুণৰাম ফুকন | ... | ৭ |
| ৫। ৺নবীনচন্দ্ৰ বৰদলৈ | .. | ৯ |
| ৬। ৺কনকলাল বৰুৱা | ... | ১১ |
| ৭। ৺হিতেশ্বৰ বৰবৰুৱা | .... | ১২ |
| ৮। নাৰায়ণচন্দ্ৰ বৰুৱা | .... | ১৪ |
| ৯। ৺পদ্মনাথ গোহাঞি বৰুৱা | .... | ১৫ |
| ১০। ৺ৰাধাকান্ত সন্দিকৈ | .... | ১৭ |
| ১১। গোপীনাথ বৰদলৈ | ... | ১৮ |
| ১২। চাৰ চৈয়দ মহম্মদ চাদুল্লা | .... | ২০ |
| ১৩। ৰোহিণীকুমাৰ চৌধুৰী | ... | ২২ |
| ১৪। ৺গোপালকৃষ্ণ গোখেল | ... | ২৪ |
| ১৫। ৺চাৰ আশুতোষ মুখাৰ্জ্জী | ... | |
| ১৬। ৺মহাত্মা গান্ধী | .... | ২৬ |
| ১৭। ৺ৰবীন্দ্ৰনাথ ঠাকুৰ | ... | ২৮ |
| ১৮। আবুল কালাম আজাদ | .... | ২৯ |

| বিষয় | | পিঠি |
|---|---|---|
| ১৯। জহৰলাল নেহেৰু | .. | ৩০ |
| ২০। জামচেড জি টাটা | .... | ৩১ |
| ২১। ৺সৰোজিনী নাইডু | ... | ৩২ |
| ২২। ছাৰ চি ভি ৰমণ | .... | ৩৩ |
| ২৩। ৺মহম্মদ জিন্না | .... | ৩৪ |

# ৺আনন্দৰাম বৰুৱা

উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱাৰ বংশত আনন্দৰাম বৰুৱা ওপজে। তেওঁৰ ১৮৫০ খ্ৰিষ্টাব্দত জন্ম হয়। তেওঁৰ পিতাকৰ নাম গৰ্গৰাম বৰুৱা। গৰ্গৰাম বৰুৱা ডাঙৰীয়াই সদৰ আমিন কাম কৰিছিল। আনন্দৰামে গুৱাহাটীৰ উচ্চ ইংৰাজী স্কুলৰপৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰি কলিকতালৈ যায়। তাত এফ-এ পৰীক্ষাত প্ৰথম বিভাগৰ ষষ্ঠ ঠাই অধিকাৰ কৰে। বি এ পৰীক্ষাতো তেওঁ বিশ্ববিদ্যালয়ৰ তৃতীয় ঠাই পায়। ইয়াৰ পিচত পাঁচ শ টকাৰ ছুটা জলপানী লৈ বিলাতলৈ পঢ়িবলৈ যায়। বিলাতত আনন্দৰামে আই, চি, এচ পৰীক্ষা নাম কৰি পাছ কৰে। ইয়াৰ পিচত বিলাতত এবছৰ কাৰ্য্যকৰী শিক্ষা লয়। আনন্দৰাম ভাৰতৰ ভিতৰত পঞ্চম চিভিলিয়ান। তেওঁ আহিয়েই অসম আৰু বঙ্গদেশৰ কেবা ঠাইতো মুন্সিফৰ কাম কৰে। পিচত নোৱাখালিৰ বৰচাহাব হয়। পোন প্ৰথমে ভাৰতীয় হিচাপে এই খিতাপ আনন্দৰামে লাভ কৰে।

আনন্দৰাম অকল অসমবাসীৰে নহয়; তেওঁক লৈ গোটেই ভাৰতেই গৌৰৱ কৰিব পাৰে। তেওঁ সংস্কৃত সাহিত্যৰ গুৰি ধৰোঁতা। তেওঁৰ তুলনামূলক সংস্কৃত লিখনীৰ আদৰ গোটেই ভাৰতজোৰা। তেওঁ সংস্কৃত অভিধান আৰু মহাবীৰ চৰিতৰ এক অংশ প্ৰকাশ কৰে। ইয়াৰ উপৰিও কেবাখনো পুথি লিখি থৈ গৈছে। বিলাতৰ যাদু-ঘৰত থকা সংস্কৃত পুথি পঢ়িবৰ কাৰণে তেওঁ আকৌ এবাৰ বিলাতলৈ গৈছিল।

আনন্দৰাম বৰুৱাই গোটেই জীৱন দেশৰ কামতে কটাইছিল। শিক্ষাৰ কাৰণে দুখীয়া লৰাক তেওঁ ইাহিমুখে দান দিছিল। দেশ সেৱাত বিঘিনি হয় বুলি তেওঁ বিয়াকে নকৰালে। তেওঁক দেশী, বিদেশী, ধনী, দুখীয়া সকলোৱেই ভাল পাইছিল। ইউৰোপীয়ান সকলেও আনন্দৰামক মান কৰিছিল। আনন্দৰামৰ পিচত কোনো অসমীয়াই তেওঁৰ ঠাই লব পৰা নাই। কক্ষাঘাত বেমাৰত ১৮৮৯ খ্ৰীঃ জানুৱাৰী মাহত অৰ্থাৎ ৫ মাঘ শুকুৰবাৰে আবেলি ২ বজাত কলিকতা মহানগৰীত মহাত্মা আনন্দৰাম বৰুৱাৰ মৃত্যু হয়।

# ৺মাণিকচন্দ্ৰ বৰুৱা

মাণিকচন্দ্ৰ বৰুৱা নগাঁৱৰ কঢ়ালৰ বৰুৱাৰ বংশৰ। তেওঁ নগাঁৱৰ খাগৰিজান নামে ঠাইত ওপজে। ওপজা সময় ১৭৭৩ শকৰ ২০ ভাদ। মাণিক বৰুৱাৰ পিতাকৰ নাম ৺হৰিৰাম বৰুৱা। তেওঁ এজন সেই ঠাইৰ নামজ্বলা আৰু প্ৰতাপী মানুহ আছিল। মাণিক বৰুৱাৰ ৬ বছৰ বয়সত পিতাক গুৱাহাটীলৈ বদলি হয়। হৰিৰাম বৰুৱাই পুতেকক কলেজিয়েট স্কুলত নাম লগাই দিয়ে। গুৱাহাটীৰেপৰা তেওঁ প্ৰবেশিকা পাছ কৰে। ইয়াতেই এফ এ মহলাতো উঠে। বি এ পঢ়িবলৈ যাওঁতে পিতাক ঢুকায়। পঢ়াৰো সিমানতে সামৰণি পৰে।

তেওঁ চৰকাৰী চাকৰি নললে। তেওঁ চাকৰিয়ে নিজৰ দেশৰ সেৱাৰ কামত বিঘিনি ঘটাই বুলি ভাবিছিল। তেওঁ প্ৰথমে জাহাজৰ কাম শিকে। পাচত এজন চাহাবৰে সৈতে চাহ বাগিচা খোলে; কিন্তু তাত তেওঁৰ লাভ নহল। ইয়াৰ পাচত আনন্দৰাম ঢেকিয়াল ফুকনৰ লগত আকৌ আন এখন বাগিচা খোলে। বছৰেকৰ পাচত তাকো এৰি কাঠৰ কাৰবাৰ চলায়।

মাণিক বৰুৱাই দেশৰ কাৰণে বহুত কাম কৰি থৈ গৈছে অসমীয়াৰ মন শিক্ষা আৰু বেহা-বেপাৰৰ পিনে টান নিয়াবলৈ

তেওঁ বৰ মন দিছিল। তেওঁ এখন নিজে বাতৰি কাকত উলিয়ায়। এই বাতৰি কাকতখনৰ নাম "আসাম নিউজ" আছিল। বেলেগে "আসাম" নামে আৰু এখন কাকত তেওঁ প্ৰকাশ কৰিছিল। গুৱাহাটীৰ কৰ্জ্জন হল মানিক বৰুৱাৰে যতনৰ ফল। তেওঁ নেৰানেপেৰাকৈ কটন কলেজৰ ভেটি বান্ধিবৰ কাৰণে মৰিমুজি লাগিছিল। তেওঁ লোকৰ যতনতে কটন চাহাবৰ নামে কটন কলেজ খোলা হয়। তেওঁ অসমৰ প্ৰতিনিধি হিচাপে ১৮৯০ চনৰ ভাৰতৰ জাতীয় মহাসভাত যোগ দিছিল। তেওঁ গুৱাহাটীত এতিয়া থকা আইন কলেজটো হবৰ কাৰণে খুব লাগিছিল। তেওঁ লোকেল-বৰ্ডৰ সভ্য আৰু ভাইচচেয়াৰমেন আছিল। তেওঁ অসমীয়াৰ ভিতৰত প্ৰথম মিউনিচিপেলিটিৰ কমিচনাৰ আৰু সভাপতি। তেওঁ পূৰ্ব্ববঙ্গ আৰু অসম ব্যৱস্থাপক সভাৰো সভ্য আছিল। তেওঁক দুবাৰো চৰকাৰৰ ঘৰবপৰা ৰায়বাহাদুৰ খিতাপ যচা হৈছিল। ১৫১৫ চনৰ ৭ চেপ্টেম্বৰত তেওঁ গুৱাহাটীত ঢুকায়।

# ৺লক্ষ্মীনাথ বেজবৰুৱা

বেজবৰুৱা ডাঙৰীয়াৰ ঘৰ ৰংপুৰ নগৰত। এতিয়াৰ শিৱসাগৰৰ নাম আহোম ৰজাসকলৰ দিনত ৰংপুৰ আছিল। ৰংপুৰ আহোম ৰজাসকলৰ ৰাজধানী আছিল। ইয়াত এতিয়াও বহুত পুৰণি চিন আছে। শিৱসাগৰৰ বেজবৰুৱা বংশৰ নাম এতিয়াও অসমত বিশেষৰূপে জনাজাত। লক্ষ্মীনাথৰ পিতাকৰ নাম ৺দীননাথ বেজবৰুৱা। দীননাথ বেজবৰুৱাৰ বৈদ্য হিচাপে ৰজাঘৰত বৰ মান আছিল। লক্ষ্মী-পূৰ্ণিমাৰ দিনা ওপজাৰ কাৰণে দীননাথ বেজবৰুৱাই পুতেকৰ নাম লক্ষ্মীনাথ ৰাখে। অসমৰ স্বাধীনতাৰ শেষ পৰাত ইংৰাজ শাসনৰ আৰম্ভ হয়। সেই সময়ত দীননাথ বেজবৰুৱা সদৰামিন হয়। বাপেকৰ কামৰ ঠাই মাজে মাজে সলনি হোৱাত লক্ষ্মীনাথো বাপেকৰ লগে লগে ফুৰিছিল। তেওঁৰ লৰাকালৰ আধিছোৱা বৰপেটা আৰু তেজপুৰত অতিবাহিত হৈছিল। পিচৰ ডোখৰ সময়ত লক্ষীমপুৰত আছিল। শেষত নিজাঘৰ শিৱসাগৰত নিয়মিত ৰূপে শিক্ষা আৰম্ভ কৰে। ৰবিককা নামে এজনে প্ৰথমে লক্ষ্মীনাথৰ পঢ়া-শুনাৰ তদাৰক কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই ১৮৮৬ চনত প্ৰবেশিকা পৰীক্ষাত নাম কৰি পাছ কৰে। ইয়াৰ পিচত কলিকতাৰপৰা বি-এ উপাধি লাভ কৰে। কলিকতাতে ঠাকুৰ পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰীক

লক্ষ্মীনাথে বিয়া কৰায়। বিয়াৰ পাচত লক্ষ্মীনাথে ব্যৱসায়ত হাত দিয়ে। বিখ্যাত অসমীয়া সদাগৰ ৺ভোলা বৰুৱাৰে লগলাগি কাঠৰ ব্যৱসায়ত উঠি-পৰি লাগে। শেহত উৰিষা প্ৰদেশৰ সম্বলপুৰত নিজে কাঠৰ কাৰবাৰত মন দিয়ে। বঙালী ছোৱালী বিয়া কৰাই আৰু বিদেশত থাকিও লক্ষ্মীনাথে অসমীয়াক পাহৰিব নোৱাৰিলে। অসমৰ মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰতি লক্ষ্মীনাথৰ শ্ৰদ্ধা বৰ বেছি আছিল। মহাপুৰুষীয়া ধৰ্ম্মৰ আলম লৈ তেওঁ নিজৰ জীৱন গঢ়ি তুলিলে।

নিজ দেশ, নিজ ভাষা, আৰু অসমীয়া জাতিক বেজবৰুৱাই বৰ ভাল পাইছিল। তেওঁ মৰণৰ বাটলৈ যোৱা অসমীয়া ভাষাক আকৌ ঠন ধৰালে। বেজবৰুৱাৰ লিখা কথাবিলাক খুহুতীয়া অথচ শিক্ষাপূৰ্ণ। অসমৰ লিখক সকলৰ ভিতৰত তেওঁক ৰসৰাজ বুলিহে জনা যায়। বেজবৰুৱা ডাঙৰীয়াৰ সাহিত্য-সেৱা দেশক ভাল পোৱাৰ চিনাকি। চোকা কথাৰে অসমীয়াৰ ভুলবিলাক তেওঁ দেখুৱাই দিছিল। অসমীয়াৰ সমাজৰ ৰীতিনীতিৰ ওপৰত আনে হাত দিয়া তেওঁ সহিব নোৱাৰিছিল। লোকে অসমীয়া ভাষা, সভ্যতাক বেয়া বুলিলে তেওঁ প্ৰতিবাদ কৰি চোকা মন্তব্য দিছিল। লক্ষ্মীনাথ বেজবৰুৱাই একে ধৰণৰ কথাকে চোবাই পুথি লিখা নাছিল। তেওঁৰ লিখা বহুমুখী। তেওঁ লিখা পুথিবিলাক অসমীয়া ভাষাৰ গলপতা। কথা সাহিত্যত তেওঁৰ দান বহুমূলীয়া! কবিতা লিখাতো তেওঁ বৰ পাকৈত আছিল। আমাৰ দেশৰ সভাই সমিতিয়ে গোৱা জাতীয় গীতটিও বেজবৰুৱাৰেই ৰচিত। ১৯৩৮ চনত ডিব্ৰুগড়ত লক্ষ্মীনাথৰ মৃত্যু হয়।

# ৺তৰুণৰাম ফুকন

গুৱাহাটীত পুৰুষসিংহ তৰুণৰাম ফুকনৰ জনম হয়। তৰুণ ফুকনক অসমৰ ৰাজনৈতিক অৰুণাৰ বুলিব পাৰি। তেওঁৰ পিতাকৰ নাম বলোৰাম ফুকন। মাকৰ নাম ভাগিৰথী আছিল। তেওঁলোকৰ আদৰ্শ অনুকৰণ কৰি তৰুণ ফুকনে নিজৰ জীৱন গঢ়িছিল। তৰুণ ফুকনৰ দদায়েক আনন্দৰাম ঢেকিয়াল ফুকন আছিল। ফুকনে ঢেকিয়াল ফুকনৰ পৰাও সজ শিক্ষা পাইছিল। তৰুণ ফুকনৰ ওপজা সময় ১৭৯৯ শকৰ ৮ মাঘ।

১৫ বছৰ বয়সত গুৱাহাটী কলেজিয়েট হাইস্কুলৰপৰা ফুকনে প্ৰবেশিকা পৰীক্ষা পাছ কৰে। ইয়াৰ পিচত প্ৰেচিডেন্সি কলেজৰপৰা এফ, এ মহলাত উঠে। তেওঁৰ জীৱনত বি, এ পৰীক্ষা দিয়া নহল। তেওঁ দেশৰ কামত লাগি থকাত পৰীক্ষা দিব নোৱাৰিলে। ডেকা বয়সত ফুকন বিলাসী আছিল। কিন্তু বিলাসৰ চোৰে তেওঁৰ হিয়াত চাব লগাব নোৱাৰিলে। নিজৰ আদৰ্শ তেওঁ পাহৰি যোৱা নাছিল। তেওঁ বি, এ নিদিয়াকৈ বিলাতত বাৰিষ্টাৰী পঢ়িবলৈ যায়। বিলাতত নাম কৰি পঢ়া শেষ কৰে।

ফুকন ডাঙৰীয়াৰ গোটেই জীৱনটো বিপদ আপদেৰে ভৰা। এই সকলোবিলাক তেওঁ ধীৰভাৱে মূৰ পাতি লৈছিল। মৰণৰ আগলৈকে একোৱেই তেওঁৰ মুখৰ হাঁহি গুচাব নোৱাৰিলে।

তেওঁৰ নিজৰ মৰমৰ তিনিজন কন্যায়েক অকালতে মৰে। তেওঁৰ সহধৰ্ম্মিনী, বৰ জীয়েক, জোৱায়েক আদিৰো বিয়োগ ঘটে। তথাপি ফুকন নিজৰ কামৰপৰা এখোজো নলৰিল।

ফুকনৰ গাত একেলগে বহুত গুণ আছিল। তেওঁৰ দেশ সেৱা, সাহিত্যচৰ্চ্চা অসমীয়াই চিৰকাল মনত ৰাখিব। তেওঁ সভাই সমিতিয়ে কেইবাটাও ভাষাত কথা কব পাৰিছিল। দেশ সেৱাতেই ফুকনে নিজৰ জীৱন সপি দিয়ে। ১৯১১ চনত তেওঁ অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২৬ চনত পাণ্ডুৰ ওচৰত জাতীয় মহাসভা কংগ্ৰেছ বহে। তেওঁৰ খাটনিতেহে এই সভা ভালকৈ সমাপ্ত হৈছিল। তৰুণ ফুকনে অসমীয়াৰ নাম ভাৰতত জিলিকাই থৈ গল। অৱশেষত ধাৰৰ বোজা মূৰপাতি লৈয়ো শেষলৈকে দেশ-সেৱা কৰিলে। কাবাবৰণ তেওঁ দেৱতাৰ নিৰ্ম্মালি বুলি ভাবিছিল। শিক্ষা-প্ৰচাৰ কামত, ব্যায়াম চৰ্চ্চাত উৎসাহ দিয়াত তেওঁ আগৰণুৱা আছিল। কানি নিবাৰণৰ কাৰণে তেওঁ উঠি-পৰি লাগিছিল। নগাঁও বানপানীৰ সময়ত তেওঁ গাৱেঁ গাৱেঁ ফৰিছিল। কামৰূপ একাডেমি স্কুলৰ ভেটি বন্ধাসকলৰ ভিতৰত ফুকনো এজন। গুৱাহাটীৰ মিউনিচিপেলিটিৰ তেওঁৰ দিনত বহুত উন্নতি হয়। ১৮৬১ শকৰ ১২ শাওণত ফুকনদেৱৰ বিয়োগ ঘটে। তৰুণ ফুকন সঁচাকৈয়ে অসমৰ "মুকুট বিহীন ৰজা" আছিল। দেশবাসীয়ে তেওঁক দেশভক্ত বুলি অভিহিত কৰিছিল।

# ৺নবীনচন্দ্ৰ বৰদলৈ

১৭৯৭ শকৰ কাতি মাহত ৺নবীনচন্দ্ৰ বৰদলৈৰ উত্তৰ গুৱাহাটীত জন্ম হয়। তেওঁৰ পিতাকৰ নাম ৺মাধৱচন্দ্ৰ বৰদলৈ; মাক সোমেশ্বৰী দেৱী। নবীন বৰদলৈ সৰুৰেপৰা সুখত উঠা ল'ৰা। সুখত উঠিলেও তেওঁ দয়ালু আৰু মৰমিয়াল আছিল। দুখীয়াৰ দুখত তেওঁৰ হিয়া পমি গৈছিল; দুখীয়াৰ দুখ গুচাবলৈ তেওঁ যতন কৰিছিল।

পঢ়া-শুনাতো তেওঁৰ বৰ ধাউতি আছিল। শ্ৰেণীত সদায় প্ৰথম হৈছিল। তেওঁ কোনো কাম কৰিব নোৱাৰো বুলি নকৈছিল। নিজৰ গুণেৰে কলেজত বৃত্তি পাইছিল। ইং ১৮৯২ চনত তেজপুৰৰপৰা প্ৰৱেশিকা পাছ কৰে। ইয়াৰ পাচত কলিকতাৰ পৰা এফ-এ আৰু বি-এ শ্ৰেণীলৈ উঠে। ইংৰাজী ১৮৯৯ চনত ৰিপণ কলেজৰ পৰা বৰদলৈয়ে বি, এল উপাধি লাভ কৰে।

সাহসত নবীন সিংহৰ নিচিনা আছিল। উচিত কথা কবলৈ কেতিয়াও ভয় নকৰিছিল। অসীম সাহস আৰু উদ্যমেৰে ডেকা বৰদলৈয়ে দেশ-সেৱাত উঠি-পৰি লাগিছিল। স্বাধীন চিতীয়া দেশহিতৈষী বৰদলৈয়ে যাচি দিয়া ৰাজপদো গ্ৰহণ কৰা নাছিল। তেও প্ৰথমে গুৱাহাটীত ওকালতি আৰম্ভ কৰে। কিছুদিনৰ কাৰণে তেও কলিকতাৰ হাইকোৰ্টত ওকালতি

কৰিছিল। সেই সময়তে ৰাপণ কলেজৰ অধ্যাপকো আছিল। ১৯১৮ চনত মাকৰ টান বেমাৰ হোৱাত নবীন বৰদলৈ অসমলৈ আহে। তেওঁ অসম দেশৰ একাণপতীয়া সেৱক আছিল। তেওঁক অসম আইৰ একনিষ্ঠ সেৱক বুলি সকলোৱে আদৰ কৰে।

প্ৰথমে অসম এচোচিয়েচনৰ সেৱক হিচাপে তেওঁ দেশ সেৱাত নামে। দেশৰ প্ৰতিনিধি হিচাপে তেওঁ এবাৰ বিলাতলৈয়ো গৈছিল। উত্তৰ গুৱাহাটীত এতিয়া থকা হাইস্কুল আৰু পুথি-ভৰাল তেওঁৰেই যত্নৰ ফল। তেওঁ ইং ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। অসমৰ প্ৰধান নেতাসকলৰ ভিতৰৰে বৰদলৈ ডাঙৰীয়াও এজন আছিল। দেশৰ হিত চিন্তি তেওঁ কেবাবাৰো ফাটেকলৈ যাব লগীয়া হৈছিল। অকল অসমীয়াই নহয় ভাৰতবাসীও তেওঁৰ ওচৰত ধৰুৱা। কৰ্ম্মবীৰ বৰদলৈ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি, কংগ্ৰেছ পাৰ্লেমেণ্টৰি বৰ্ডৰ সদস্য আছিল। তেওঁ ব্যৱস্থা পৰিষদতো সভ্যহিচাপে যোগ দিছিল অসম ছাত্ৰ সভাৰ শিৱসাগৰ অধিবেশনত তেওঁ সভাপতি আছিল। অসমত বহা কংগ্ৰেছ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ মুখিয়াল তেৱেঁই আছিল। গুৱাহাটী লোকেল বোৰ্ডৰ চেয়াৰমেন থকা সময়ত বৰদলৈদেৱে বহুত সমাজ হিতকৰ কাম কৰে। কামৰূপ একাডেমি স্কুলৰ ভেটি বন্ধাসকলৰ ভিতৰৰে তেৱোঁ এজন। কটন কলেজ আৰু আৰ্ল ল কলেজ পতা বিষয়ত বৰদলৈয়ে বিশেষ মন দিছিল। নৰ্গাৱৰ বানপানীৰ সময়ত বৰদলৈয়ে কি নকৰিছিল? সাহিত্যিক হিচাপেও বৰদলৈৰ নাম জনাজাত।

তেওঁৰ কৃষ্ণ-লীলা নাটক অসমীয়া সাহিত্যিৰ এটি বহুমূলীয়া সম্পদ। বৰ গীতত তেওঁৰ বৰ ৰাপ আছিল। তেওঁ কৰা সকলো কামেই দেশ আৰু জাতিৰ কাৰণে। ১৮৫৮ শকৰ ৩ ফাগুন দেওবাৰে পুৱা তেওঁ চিৰকালৰ কাৰণে আমাক এৰি যায়। তেওঁ দুখীয়াক পুতৌ কৰিছিল আৰু বিপদতপৰা লোকক সহায় কৰিছিল নিজে নেখোৱা আনক খুওৱা বিধৰ আছিল তেওঁৰ স্বভাৱ। দেশবাসীয়ে তেওঁক কৰ্ম্মবীৰ বিশেষণেৰে বিভূষিত কৰিছিল।

---

## ৺কনকলাল বৰুৱা

কনকলাল বৰুৱাৰ ঘৰ গুৱাহাটীত। তেওঁ ১৮৭২ খ্ৰীষ্টাব্দৰ ১৬ ডিচেম্বৰত ওপজে। তেওঁ ওকালতিৰ উপাধি লৈয়েই পঢ়া শেষ কৰে। বৰুৱা কমিছনাৰ আৰু পাচত খেতি আৰু শিল্প বিভাগৰ ঘাই বিষয়া হৈছিল। চৰ্কাৰে তেওঁৰ গুণৰ আদৰ কৰি স্বায়ত্ত শাসন বিভাগৰ মন্ত্ৰী নিয়োগ কৰে। তেওঁ চি-আই-ই উপাধিও পাইছিল। তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ সভ্য আছিল। পাচত এই সমিতিৰ তেওঁ সভাপতিও হৈছিল। অসমৰ পুৰণি বস্তু আৰু তথ্য উলিয়াবৰ কাৰণে বৰুৱাদেৱৰ মনপুতি লাগিছিল। গুৱাহাটীৰ যাদু-ঘৰৰ ভেটি তেওঁৱেই পোন প্ৰথমে বান্ধে। অসম. দেশৰ বুৰঞ্জী চৰ্চ্চা কৰি

তেওঁ বহুত কথা পোহৰলৈ আনে। সাহিত্য বিষয়তো তেওঁৰ দান অলপীয়া নহয়। কাকতে-পত্ৰই আমাৰ দেশৰ ইতিহাসৰ বিষয়ে বহুত কথা আলোচনা কৰিছিল। বিদেশী কাকতত তেওঁ কৰা আলোচনা প্ৰকাশ হৈছিল।

তেওঁ অসমীয়াৰ নাম ইতিহাসৰ মাজেদি ভাৰততে জনাজাত কৰি তুলিছিল। তেওঁৰ গুণৰ মোল বুজি অসমীয়া জাতিয়ে এবাৰ তেওঁক অসম সাহিত্য সভাৰ সভাপতি পাতিছিল। গুৱাহাটীত বহা বুৰঞ্জী শাখাৰ সভাতো তেওঁ সভাপতি হৈছিল। অসমৰ প্ৰতিনিধি হিচাপে ভাৰতৰ বুৰঞ্জী সভাত বৰুৱাদেৱে যোগ দিছিল গৈ। ১৯৪০ খ্ৰীষ্টাব্দত সিদিনা কলিকতাত তেখেতৰ বিয়োগ ঘটে। অসমীয়াই এজন গুণীলোক হেৰুৱালে।

—:০:—

# ৺হিতেশ্বৰ বৰবৰুৱা

হিতেশ্বৰ বৰবৰুৱাৰ ঘৰ চৰাইবাহী মৌজাত। এই ঠাই যোৰহাট নগৰৰপৰা দুমাইল দূৰৈত আছে। তেওঁৰ বাপেক ৺চিকৌ গগৈ বৰবৰুৱা। বাপেক বৰ দুখীয়া আছিল। সেই কাৰণে হিতেশ্বৰে অলপ পঢ়িয়েই পঢ়াৰ আশা এৰি দিব লগাত পৰে। তেওঁ ইংৰাজী স্কুলৰ প্ৰথম মানলৈকেহে

পঢ়িছিল। ঘৰ চলাবৰ কাৰণে বাগিচাৰ কেৰাণী কামত তেওঁ নিচেই কম বয়সতে সোমায়।

কাব্য-সাহিত্য লিখাত বেজবৰুৱাৰ বিশেষ হাত আছিল। "জোনাকীত" তেওঁ এই বিষয়ে আলোচনা কৰিছিল। এওঁ কাব্য-সাহিত্যত নতুন যুগ আনে। এওঁ লিখাত সহজ সৰল ভাষা ব্যৱহাৰ কৰিছিল। এওঁৰ লিখিত 'বিৰহিণীৰ বিলাপ কাব্য,' 'জয়মতী কাব্য,' আভাস কাব্য' অসমীয়া ভাষাৰ বিশেষ বস্তু। এওঁ কবিতা পুথিও কেবাখনো লিখিছিল। তাৰ ভিতৰত 'মালচ' আৰু 'চকুলো' প্ৰধান। 'মালিতা' উপন্যাস বেজবৰুৱাৰ কলমৰে পৰাই ওলোৱা। দেশক তেওঁ বৰ ভাল পাইছিল। তেওঁ লিখা কাব্য আৰু বুৰঞ্জীত জাতীয়তা ভাব ফুটি উঠিছিল। 'পৰাধীনতা পাপ' এই কথা তেওঁৰ পুথিত ভালদৰে প্ৰকাশ পাইছে।

—:০:—

# ৺নাৰায়ণচন্দ্ৰ বৰুৱা

নাৰায়ণচন্দ্ৰ বৰুৱাৰ ঘৰ লাহিং মৌজাৰ মাজকুৰিত। তেওঁৰ পিতাক ৺বোষেশ্বৰ বৰুৱা। বোষেশ্বৰ বৰুৱা অসমৰ প্ৰথম চাহ খেতিয়ক আছিল। পিতাকৰ দৰে নাৰায়ণ বৰুৱাৰো সৰুকালৰেপৰা খেতি-বাতিত বৰ ধাপ আছিল। খেতিয়ক হিচাপে তেখেতৰ নাম গোটেই অসমতে জনাজাত। খেতি কৰিয়েই তেওঁ ৰায় চাহাব উপাধি লাভ কৰে। চৰকাৰে তেওঁক বহুত পদকো দিছিল।

তেওঁক অসমীয়া মানুহে 'কোৰ নাৰায়ণ' বুলিহে জানে। মৰণৰ কাললৈকে তেওঁ হাতৰপৰা কোৰ নেৰিছিল। খেতিৰ মাজেদি তেওঁ অসমীয়া জাতিৰ চকু গজাইছিল। দেশৰ গুণী মানুহবিলাকৰ নাম অনুসৰি বোৱনা ভলকীয়াৰ নাম দিছিল। তেওঁ সদায়েই মুগাৰ ধুতি আৰু পাঞ্জাবী পিন্ধিছিল। কংগ্ৰেছ মহাসভাত পাণ্ডু নগৰত তেওঁ নিজৰ বস্তুবিলাকেৰে প্ৰদৰ্শনী পাতিছিল। গান্ধীয়ে বৰুৱাৰ বস্তু দেখি বৰ ভাল পাই পাৰে মানে শলাগিছিল। শিৱসাগৰ জিলাৰ প্ৰায়বোৰ ছাত্ৰ সভাই তেওঁক সভাপতি পাতিছিল।

নাৰায়ণচন্দ্ৰ বৰুৱা এজন ভাল অসমীয়া লিখকো আছিল। 'খেতি' আদি কেবাখনো পুথি তেওঁ লিখি থৈ গৈছে। ৰাতিৰ কাকতত বৰুৱাই সদায়েই খেতি-বাতি আৰু দেশৰ কথা

আলোচনা কৰিছিল। তেওঁৰ ধৰ্ম্ম বিষয়ত বিশেষ বাপ আছিল। ১৯৩৯ চনত নাৰায়ণ বৰুৱাৰ বিয়োগ ঘটে। অসমে এজন আদর্শ মানুহ হেৰুৱালে। এওঁ চৰ্কাৰৰপৰা ৰায়চাহাব উপাধি পাইছিল।

---

## ৺পদ্মনাথ গোহাঞি বৰুৱা

গোহাঞি বৰুৱা অসমৰ এজন নামজ্বলা লিখক। তেওঁৰ ঘৰ উত্তৰ লক্ষীমপুৰৰ নকাৰী মৌজাত। পিতাক ৺ঘিণাৰাম গোহাঞি বৰুৱা। মাক ৺লক্ষ্মী দেৱী। গোহাঞিদেৱৰ জন্ম সময় ১৭৯৩ শকৰ ২৯ আঘোণ। পোনপ্রথমতে তেওঁৰ উত্তৰ লক্ষীমপুৰতে প্ৰাইমাৰী শিক্ষা আৰম্ভ হয়। ইয়াৰ পিচত শিৱসাগৰৰ হাইস্কুলত দশমমানলৈকে পঢ়ে। দশমমান শ্ৰেণীত পঢ়ি থাকোঁতে বিশেষ কাৰণত কহিমালৈ যাব লগাত পৰে। প্ৰবেশিকা পৰীক্ষা কহিমা হাইস্কুলৰপৰা ডিব্ৰুগড় কেন্দ্ৰত দিয়ে। সেই মঙলত উঠি পদ্মনাথে এফ এ আৰু ওকালতি পঢ়ে।

কলিকতাত থাকোঁতে "বিজুলী" নামৰ কাকতৰ লিখক আছিল। পিচত সেই কাকতৰে ধাই গুৰিয়ালো হৈছিল। তেওঁ বহুত দিনেৰেপৰা অসমীয়া ভাষাত নানা ধৰণৰ পুথি

লিখিছে। পঢ়াশালিৰ পাঠ্যপুথি, নাটক, উপন্যাস, বুৰঞ্জী লিখাও গোহাঞিদেৱৰ বৰ বাপ। "অসম বন্তি" নামে এখন পষেকীয়া আলোচনী আজিলৈকে প্ৰকাশ কৰিয়েই আছে।

১৮৯৩ চনত কহিমা ইংৰাজী স্কুলত পদ্মনাথ গোহাঞি বৰুৱা প্ৰধান শিক্ষক হয়। ১৮৯৬ চনত তেজপুৰলৈ নৰ্ম্মাল স্কুলৰ প্ৰধান শিক্ষক হৈ বদলি হয়। তেজপুৰতে গোহাঞি বৰুৱাৰ প্ৰথম ভাৰ্য্যাৰ বিয়োগ ঘটে। ঘৰৰ সুবিধাৰ কাৰণে তেওঁ আকৌ বিয়া কৰায়। সেই সময়তে চৰকাৰে গোহাঞি দেৱক তেজপুৰৰ চৰ্কাৰী হাইস্কুলত শিক্ষক নিয়োগ কৰে। অৱসৰ লোৱাৰ পিচত তেওঁক চৰ্কাৰে সাহিত্যিক পেঞ্চন দিয়ে। সেই সময়ত কৰ্ণেল গৰ্ডন কমিছনাৰ আছিল।

১৯১০ চনত চীফ কমিছনাৰী চৰ্কাৰৰ শাসন সভাত গোহাঞি বৰুৱা আহোম প্ৰতিনিধি নিয়োগ হয়। সেই মান তেওঁ বাৰবছৰ পাইছিল। সাহিত্যসভাৰ প্ৰথম অধিবেশনৰ সভাপতি তেৱেঁই আছিল। অসম ছাত্ৰ সভা, অসম শিক্ষক সভা আদিৰো গোহাঞি বৰুৱা সভাপতি হৈছিল। ১৯৩৩ চনত অসম সাহিত্য সভাই তেওঁক মান-পত্ৰ দিয়ে। চৰকাৰে তেওঁক প্ৰথমতে ৰায় চাহাব আৰু পিচত ৰায়বাহাদুৰ খিতাপ দিছে। গুৱাহাটীত সিদিনা গোহাঞি বৰুৱাৰ সোণালী জয়ন্তী পতা হৈছিল।

# ৺ৰাধাকান্ত সন্দিকৈ

ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ ঘৰ শিৱসাগৰ মহকুমাত এতিয়া যোৰহাট নগৰত থাকে। আগেয়ে মুন্সিপ কাম কৰিছিল। অৱসৰ লৈ এতিয়া চাহ খেতিত লাগিছে। নিজৰ ধন এওঁ দেশৰ কামত খৰচ কৰিছে। যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ হল সন্দিকৈৰে দানৰ চিন। গুৱাহাটীত নাৰায়ণী হল নামে আন এটা ঘৰ অসমক বাহ্যিক দিছে। এওঁ অসমীয়া সাহিত্যৰ প্ৰচাৰৰ কাৰণে বিশেষ মন দিছে। চন্দ্ৰকান্ত অভিধানত খৰচ হোৱা টকাও এওঁৰেই। গুৱাহাটীৰ মিউজিয়ম পতা কামত এওঁ টকাৰে সহায় কৰিছে। এওঁ দিয়া টকাৰে গুৱাহাটীত ছোৱালী কলেজৰো ভেটি গেলা হৈছে। অসম সাহিত্য সভাৰ ৰাধাকান্ত সন্দিকৈ ৰাজহাড়। চৰ্কাৰে এওঁক ৰায়বাহাদুৰ উপাধি দিছে।

সন্দিকৈ ডাঙৰীয়াক অসমৰ দাতাকৰ্ণ বুলি কলেও বঢ়াই কোৱা নহয়। অসমীয়াৰ গৌৰৱ বৃদ্ধিৰ কাৰণে সন্দিকৈ দেৱৰ দান অতুলনীয়।

—:০:—

# গোপীনাথ বৰদলৈ

গোপীনাথ বৰদলৈৰ নিজঘৰ গুৱাহাটীত। তেওঁৰ পিতাক ৺বুদ্ধেশ্বৰ বৰদলৈ চৰকাৰী ডাক্তৰ আছিল। তেওঁ ডিব্রুগড়, বৰপেটা আদি কেইবা ঠাইতো ডাক্তৰি কৰিছিল। সেই কাৰণে পুতেক গোপীনাথ বৰদলৈয়ে কোনো এটা স্কুলত নিগাজী ভাৱে বহুত দিনলৈকে পঢ়িব পৰা নাছিল। তেওঁ ন বছৰ বয়সতে পিতা-দেৱেকৰ পৰাহে শিক্ষা পাইছিল। সেই সময়তে মাকৰ বিয়োগ ঘটাত বৰদলৈ ডাঙৰীয়াই গুৱাহটীত বায়েকৰ ঘৰত থাকি পঢ়িবলৈ আহে। গুৱাহাটীত থাকি তেতিয়াৰপৰা বৰদলৈ নিয়মিতৰূপে স্কুলীয়া জীৱনৰ আৰম্ভ কৰে। তেওঁৰ ওপজা সময় ১৮১২ শকৰ ২৬ জেঠ।

ইং ১৯০৭ চনত বৰদলৈয়ে কলেজিয়েট স্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষা প্ৰথম বিভাগত পাছ কৰি বৃত্তি লাভ কৰে। ইয়াৰ পাচত কটন কলেজত দুবছৰ পঢ়ি প্ৰথম বিভাগত আই-এ পৰীক্ষাত ওপৰ মহলালৈ উঠে। আই-এ পৰীক্ষাত তেওঁ ২০৲ টকীয়া বৃত্তি পাইছিল। আই-এ পৰীক্ষা শেষ কৰি তেওঁ কলিকতাত বি-এ পঢ়িবলৈ যায়। বি-এ পঢ়ি থাকোতেই পিতাক বুদ্ধেশ্বৰ বৰদলৈৰ বিয়োগ ঘটে। বিপদ-আপদৰ মাজতো ইতিহাসত ২য় - বিভাগত অনাৰ্চ লৈ গোপীনাথে বিশ্ব-বিদ্যালয়ত ৫ম ঠাই অধিকাৰ কৰে। ১৯১৪ চনত কলিকতাৰ

পৰা ইতিহাসত এম-এ উপাধি লয়। পিতাক আৰু ককা-ল্লেকৰ মৰণ হোৱাত বৰদলৈ ধনৰ অভাৱত ঘৰলৈ উভতি আহে। তেওঁ কিছুদিন সোণাৰাম হাইস্কুলৰ হেড্মাষ্টৰ কাম কৰিছিল। শিক্ষক হৈ থাকোতেই বৰদলৈয়ে ওকালতিৰ শেষ পৰীক্ষা দি বি-এল উপাধি লয়। তেতিয়াৰেপৰা তেওঁৰ গুৱাহাটীত উকীল জীৱনৰ আৰম্ভণী হয়।

বৰদলৈ ডাঙৰীয়া সৰুৰেপৰা গছত উঠা, ছবি অঁকা, ফটবল খেলা, আৰু সঙ্গীত বিদ্যাত বৰ পাৰ্গত আছিল। অঙ্কন বিদ্যাত প্ৰবেশিকা পৰীক্ষাত নাম কৰিছিল। কটন কলেজত পঢ়োতে কলিকতা, ঢাকা আদিত কলেজৰ হৈ কেৰা-বাৰো খেলিবলৈ গৈছিল। কলিকতাত পঢ়োতে ভাল টেনিচ খেলুৱৈ হিচাপে বহু পুৰস্কাৰ লাভ কৰিছিল। সাহিত্যিক হিচাপেও বৰদলৈৰ নাম জনাজাত। তেওঁ লিখা তৰুণৰাম ফুকনৰ জীৱনী বাইজৰ আগত প্ৰকাশ হৈছে। জেলত থাকোতে সৰু লৰাৰ উপযোগীকৈ পাঁচজন মহাপুৰুষৰ জীৱনী লিখিছিল।

দেশ-সেৱক হিচাপে বৰদলৈৰ ঠাই ওপৰত। ১৯২১ চনতে তেওঁ অসহযোগত যোগ দি ৰাজনৈতিক জীৱনৰ আৰম্ভ কৰে। সেই সময়তে তেওঁৰ এবছৰ কাৰাদণ্ড হয়। গুৱাহাটী লোকেল বৰ্ডৰ সভা আৰু মিউনিচিপেলিটিৰ সভাপতি থাকোতে বহুত জনহিতকৰ কামত হাত দিছিল। গুৱাহাটী একাডেমি স্কুলৰ উন্নতিৰ কাৰণে বৰদলৈয়ে অশেষ খাটিছে। ১৯৩৭ চনত কংগ্ৰেচৰ তৰফৰপৰা তেওঁ ব্যৱস্থাপক সভাৰ সভ্য নিৰ্ব্বাচিত

হয়। কংগ্ৰেছ দলৰ এওঁৱেই দলপতি আছিল। যুক্ত মন্ত্ৰী-সভা গঠন হোৱাৰ সময়ত বৰদলৈ ডাঙৰীয়াই অসমৰ প্ৰধান মন্ত্ৰী আছিল। তেওঁৰ দিনত কানি নিবাৰণ, নিৰক্ষৰতা দূৰীকৰণ, টকাত আঠ অনা খাজনা মাফ আদি জনহিতকৰ কামৰ আৰম্ভ হৈছিল। তেওঁলোকৰ দিনত কৃষি আৰুৰ ওপৰত বক্তৃতা কৰ এশিয়া দেশৰ কামত আছিছে। তেওঁ সত্যাগ্ৰহ কৰি জেল খাটিছিল।

---

## চাৰ চৈয়দ মহম্মদ চাদুল্লা

চাৰ চৈয়দ মহম্মদ চাদুল্লাৰ পুৰণা ঘৰ কচাৰী হাটত। তেওঁৰ পিতাক মহম্মদ তৈয়বুল্লাহ। তৈয়বুল্লাহ ডাঙৰীয়া গুৱাহাটী কলেজিয়েট স্কুলৰ পাৰছিয়ান শিক্ষক আছিল। সেই কাৰণে চাদুল্লা চাহাবৰ সৰু কাল ডোখৰ গুৱাহাটীতে থকা হৈছিল। তেওঁৰ প্ৰাইমাৰী আৰু হাইস্কুলৰ শিক্ষা গুৱাহাটীতে হৈছিল। তেওঁ অলপ দিন সোণাৰাম স্কুলত পঢ়িছিল। তেওঁ কলেজিয়েট হাইস্কুলৰপৰা প্ৰবেশিকা পৰীক্ষা আৰু কটন কলেজৰপৰা এফ-এ. পৰীক্ষা দি ভালদৰে ওপৰ মহলালৈ উঠে। ইয়াৰ পাচত কলিকতাত পঢ়িবলৈ যায়। তাৰ পৰাই বি-এ আৰু এম-এ উপাধি লাভ কৰে। তেওঁ ৰসায়ন শাস্ত্ৰৰ এম-এ উপাধি

পাইছিল। তেওঁ কলিকতাৰ পৰা ওকালতিও পাছ কৰিছিল। চাদুল্লা চাহাব সৰুৰেপৰা মেধাবী আছিল।

প্ৰথমে কলিকতাৰপৰা ঘূৰি আহি কটন কলেজত এবছৰ ৰসায়ন বিভাগৰ শিক্ষক আছিল। ইয়াৰ পাচত গুৱাহাটীতে ওকালতি আৰম্ভ কৰে। ভাল উকীল হিচাপে চৈয়দ চাদুল্লাৰ বৰ খ্যাতি আছিল। ১৯১৮ চনৰপৰা কিছুদিন কলিকতা হাইকৰ্টত ওকালতি কৰিছিল। সেই সময়ৰেপৰা তেওঁ দেশসেৱাত লাগে। চাদুল্লা চাহাব অসম উপত্যকাৰপৰা প্ৰথমে ব্যৱস্থাপক সভাৰ সভ্য নিৰ্বাচিত হয়। নিজৰ গুণৰ বলেৰে তেওঁ অসমৰ প্ৰধানমন্ত্ৰী আছিল। চৰ্কাৰেও তেওঁক চাৰ উপাধি দিছে। অসমত এওঁৱেই প্ৰথমে "চাৰ" উপাধি পায়। ছাত্ৰ জীৱনত মহম্মদ চাদুল্লাৰ এজন ভাল খেলুৱৈ হিচাপে নাম আছিল। ফুটবল, টেনিচ আৰু ক্ৰিকেট খেলত তেওঁ বৰ পাকৈত আছিল। এতিয়া কানি নিবাৰণ, শিক্ষা প্ৰচাৰ আদি জনহিতকৰ কাম হাতত লৈছে। অসমৰ ৰাজনৈতিক বিষয়ত চাদুল্লা চাহাবৰ নাম জনাজাত।

চাৰ মহম্মদ চাদুল্লা চাহাবৰ চৰিত্ৰৰ বিশেষত্ব হৈছে—কৰ্তব্য-তৎপৰতা, অধ্যৱসায়ী আৰু এবাৰ কথা দিলে তাৰ ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা।

# ৰোহিণীকুমাৰ চৌধুৰী

চৌধুৰী ডাঙৰীয়াৰ ঘৰ কামৰূপ জিলাৰ জিয়াকুৰ নামে ঠাইত এতিয়া গুৱাহাটীৰ ভৰলুমুখত নিগাজী ভাৱে ঘৰ কৰিছে। এওঁৰ ককাক মৌজাদাৰ আৰু পিতাক ৺কালীৰাম চৌধুৰী মুন্সিফ আছিল। কালীৰাম চৌধুৰী অসমৰ প্ৰথম বি-এল। ৰোহিণী কুমাৰ চৌধুৰীয়ে কলেজিয়েট স্কুলৰপৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰে। ইয়াৰ পাচত কলিকতাত পঢ়িবলৈ যায়। তাতে পৰাই বি-এ উপাধি লাভ কৰে। কলিকতাৰপৰা ঘূৰি আহি গুৱাহাটীত ওকালতি কৰে। ওকালতিত এওঁৰ বৰ নাম আছিল। উদ্যোগী চৌধুৰীদেৱে ডেকা বয়সত দুখীয়াক সহায় কৰি বৰ ভাল পাইছিল। এবাৰত কোনো কাম কৰিব নোৱাৰিলে তেওঁ কেতিয়াও নিৰাশ নহয়। ই চৌধুৰীৰ এটা ডাঙৰ গুণ। কোনো এটা কাম তেওঁ কৰিম বুলি কলে তাক যেনে তেনে কৰে।

১৯২১ চনত এওঁ অসহযোগ আন্দোলনত যোগ দিয়ে। সেই কাৰণে ৯ মাহ কাৰাগাৰতো থাকিব লগীয়া হৈছিল। ৰাজহুৱা জীৱনৰ আৰম্ভণীৰেপৰা চৌধুৰীয়ে দেশ হিতকৰ কামত আজিলৈকে আশাশুধীয়া ভাৱে লাগি আছে। পাণ্ডু নগৰত কংগ্ৰেছ মহাসভাৰ অধিৱেশনৰ সুসম্পন্নৰ কাৰণে তেওঁ বিশেষ [illegible] দিছিল। [illegible] [illegible] [illegible] [illegible] [illegible] চৌধুৰীৰ [illegible] [illegible] [illegible] [illegible] কৰিছিল।

চৌধুৰী ডাঙৰীয়া ১৯২৬ চনত অসম ব্যৱস্থা পৰিষদৰ সভ্য নিৰ্ব্বাচিত হয়। তেতিয়াৰে পৰাই এওঁ সেই সভাত আছেই। পৰিষদৰ সভ্য হৈ থাকোতে জনহিতকৰ কামৰ আঁচনি এওঁ প্ৰায়েই পৰিষদ সভাত দাঙি ধৰিছিল। দুখীয়া বাৰতব টকাত তিনি অনাকৈ খাজানা চৌধুৰীৰ যত্নতে মাফ হৈছিল। ১৯৩৭ চনত এওঁ মন্ত্ৰী পদ গ্ৰহণ কৰিব লগীয়া হয়। প্ৰথমে এওঁ ৰাজহ আৰু বিচাৰ বিভাগৰ মন্ত্ৰী থাকে। তেতিয়া চৌধুৰী ডাঙৰীয়া শিক্ষা বিভাগৰ ঘাই গুৰিয়াল। জনহিতকৰ কামৰ ভিতৰত খাজানা মাফ, আৰু জনশিক্ষা প্ৰচাৰ আদিয়েই প্ৰধান। অসমত বিশ্ববিদ্যালয় পাতিবলৈ এওঁ বিশেষ যতন কৰিছিল।

চৌধুৰী ডাঙৰীয়াৰ চৰিত্ৰৰ এটি বিশেষ গুণ যে তেওঁতে যি কাম ৰাইজৰ মঙ্গলজনক বুলি বিশ্বাস কৰে তাক তেওঁ সমাধা নহয় মানে নেৰে। হেজাৰ বাধা বিপত্তিৰ মাজেদিও তেওঁ তেওঁৰ সাধনাৰ স্থললৈ আগুৱায়। তেওঁৰ মনোবলৰ জোৰ বৰ দৃঢ়।

# ৺গোপালকৃষ্ণ গোখেল

১৮৬৬ খ্ৰীষ্টাব্দত গোখেলৰ জন্ম হয়। এওঁ জাতত বামুণ। গোখেলৰ কম বয়সতে পিতাক ঢুকায়। ককাইদেৱেকে শিক্ষা দিয়ে। ওঠৰ বছৰ বয়সত গোখেলে বি-এ পাছ কৰে। ইয়াৰ পাচত তেওঁ ফাগুচন কলেজৰ অধ্যাপক হয়। তেওঁৰ যত্নত সেই কলেজৰ অৱস্থা উন্নতিৰ ফালে গৈ উঠে। "সুধাৰক" নামে তেওঁ এখন বাতৰি কাকত উলিয়ায়। ১৮৯০ খ্ৰীষ্টাব্দত গোখেলে কংগ্ৰেছ সভাৰ বক্তা ৰূপে থিয় হয়। পাচত তেওঁ কংগ্ৰেছৰ সম্পাদক হয়। তেওঁ ভাৰতৰ আয় ব্যয় আলোচনা সভাত বিলাতত যোগ দিছিলগৈ। ১৯০০ চনত গোখেল বোম্বাইৰ ব্যৱস্থা পৰিষদৰ সভ্য হয়। তেওঁক চৰকাৰে চি আই ই উপাধি দিয়ে। ১৯০৫ চনত কাশীত বহা জাতীয় সভাত গোখেল সভাপতি হয়। তেওঁ প্ৰাথমিক প্ৰচাৰৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ তেওঁ পক্ষপাতী আছিল। চৰ্কাৰে পাচত কে চি আই ই উপাধি দিয়ে। তেওঁ ৫০ বছৰ বয়সত মৰে।

# ৺চাৰ আশুতোষ মুখাৰ্জ্জী

আশুতোষ মুখাৰ্জ্জী তেওঁৰ যুগৰ এজন ডাঙৰ নেতা। বিচাৰক আৰু শিক্ষা প্ৰচাৰক হিচাপে তেওঁৰ নাম ভাৰতৰ সকলোৱে জানে। দেশৰ কাৰণে তেওঁ বহুত কাম কৰি থৈ গৈছে। তেওঁৰ শিক্ষাৰ কাৰণে কৰা ত্যাগ মানুহৰ মনত সদায় থাকিব। শিক্ষা পালে ভাৰতীয় প্ৰজাই উন্নতি কৰিব বুলি তেওঁ বুজিছিল। তেওঁ তাৰেই কাৰণে গোটেই জীৱন চেষ্টা কৰিছিল। তেওঁ এজন ডাঙৰ বক্তা আৰু সাহিয়াল পুৰুষ আছিল। মানুহে তেওঁক বঙ্গদেশৰ সিংহ বুলিহে গৌৰৱ কৰিছিল। ছাত্ৰবিলাকৰ ওপৰত তেওঁৰ অটল বিশ্বাস আছিল। তেওঁ পৰাধীনতা পাপ বুলি মনে প্ৰাণে ভাবিছিল। তেওঁৰ অঙ্কশাস্ত্ৰত অগাধ জ্ঞান আছিল। ইয়াৰ উপৰিও তেওঁ নানা ভাষা আৰু নানা কথা জানিছিল।

চাৰ আশুতোষ মুখাৰ্জ্জীয়েই কলিকতা বিশ্ববিদ্যালয়ৰ ভেটি বান্ধে। মাতৃ ভাষাৰ জৰীয়তে শিক্ষা হব লাগে বুলি তেওঁ সভাই সমিতিয়ে কৈছিল। মাতৃভাষা স্কুল বিশ্ববিদ্যালয়ৰ লগৰ বিষয় কৰিবলৈ তেওঁ পাৰেমানে লাগিছিল। আতো তোৰে বিশ্ববিদ্যালয়ৰ কোনকৈ উন্নতি হব, খাওঁতে শোওঁতে তাকেইহে ভাবিছিল। এম.এ. আইন আৰু বিজ্ঞানৰ ভাগ [illegible]

চাৰ আশুতোষ মুখাৰ্জ্জীৰ ১৮৬৪ খ্রীষ্টাব্দৰ জুনত জনম হয়। তেওঁ প্রবেশিকা পৰীক্ষাত বিশ্ববিদ্যালয়ত ২য় ঠাই অধিকাৰ কৰিছিল। বি-এ আৰু এম-এ পৰীক্ষাত গণিতত প্রথম ঠাই লয়। আনহাতে সমাজৰ আবৰ্জ্জনা আঁতৰোৱাৰ চেষ্টা তেওঁ বিশেষৰূপে কৰিছিল। দেশ আৰু জাতিক স্বাৰ্থ নোহোৱাকৈ তেওঁ ভাল পাইছিল।

---

# মহাত্মা গান্ধী

১৮৬৯ খ্রীষ্টাব্দৰ ২ অক্টোবৰত মহাত্মা গান্ধীৰ জন্ম হয়। তেওঁ প্রাথমিক আৰু হাইস্কুলৰ শিক্ষা ৰাজকোটত শেষ কৰে। ৰাজকোটত পঢ়া শেষ কৰি বিলাতলৈ যায়। তাত গান্ধীয়ে নাম কৰি বাৰিষ্টাৰী পাছ কৰে। ইয়াৰ পাচত আইন চৰ্চ্চা কৰিবৰ কাৰণে আফ্রিকাত থকা সময়তেই তেওঁৰ মন জাতীয় ভাবেৰে পূৰ হয়। আফ্রিকাত ক'লা জাতিৰ ওপৰত বগা জাতিয়ে কৰা অত্যাচাৰ মহাত্মাই সহিব নোৱাৰিছিল। তেওঁ তাৰে প্রতিবাদ আৰু প্রতিকাৰ কৰিবলৈ বৰ মন কৰিছিল। তাৰ কাৰণে গান্ধীয়ে নানা ধৰণৰ নিকাৰ ভুগিব লগা হৈছিল। বোম্বাইত আইন চৰ্চ্চা কৰোতে গান্ধী দেশৰ কামতেই লাগি পৰিছিল।

ইং ১৯১৪ চনত যেতিয়া মহাসমৰ লাগে তেতিয়া মহাত্মাই বৃটিছ জাতিৰ বিপদৰ সময়ত বিশেষ ভাবে সহায় কৰিছিল। এই সহায়ৰপৰা গান্ধীয়ে ভাৰতৰ প্ৰতি বৃটিছৰ ভবিষ্যত সহায়ৰ আশা কৰিছিল। ১৯১৮ চনত ৰণৰ সামৰণি পৰে। ভাৰতবাসীয়ে আশা কৰা মতে বিশেষ একো নেপালে। মহাত্মাই তেতিয়া সত্যাগ্ৰহৰ দল লৈ অসহযোগ চলায়। জাতীয় মহা সভাই গান্ধীৰ মত মানি লয়। চাৰিউপিনে মানুহে বিদেশী বৰ্জ্জনত লাগি গল। ১৯২২ চনত গান্ধীয়ে দেশৰ কাৰণে কাৰাবৰণ কৰে। ১৯২৪ চনত আকৌ মুকলি হয়। সেই বছৰতে তেওঁ জাতীয় মহাসভাৰ সভাপতি হয়। ১৯৩০ চনত মহাত্মা আকৌ ফাটকলৈ যায়। ১৯৩১ চনত মুকলি হৈ বিলাতলৈ যায়। তাত তেওঁ ২য় ঘূৰণীয়া মেজমেলত যোগ দিছিলগৈ। তেওঁ কংগ্ৰেছৰ তৰফৰপৰা যোগ দিছিল। বিলাতত ৰজা প্ৰজা সকলোৱেই তেওঁক মান দেখুৱাইছিল। গান্ধী উলটি আহি বোম্বাই পাওঁতেই আটক হয়।

১৯৩০ চনত আকৌ ভাৰত জুৰি অসহযোগ আন্দোলন চলে। কিন্তু মহাত্মা গান্ধী আৰু লৰ্ড আৰউইনৰ মাজত আলোচনা হোৱাত অসহযোগে শাম কাটে। ১৯৩৭ চনত পিচত কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ কৰে। ইয়াৰ পিচত গান্ধী বহুত দিন মহাসভাৰ পৰা আতৰত থাকে। এই কালছোৱাত তেওঁ ৰাজ 'হৰিজন' [illegible] [illegible]।

নীতি নিয়ম। ১৯৩৯ চনৰপৰা আকৌ মহাসমৰ লাগিছে। মহাত্মাই হিটলাৰৰ আচৰণ ভাল বোলা নাই। কিন্তু বুটিছকো তেওঁ সহায় নকৰে।

---

# ৺ৰবীন্দ্ৰনাথ ঠাকুৰ

ইং ১৮৬১ চনৰ ৬ মেই তাৰিখে কলিকতাত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম হয়। তেওঁৰ জন্ম হোৱা ঠাকুৰ বংশৰ নাম বঙ্গদেশত আগৰেপৰা জনাজাত। এই বংশৰ সকলোৱেই শিক্ষিত, ধৰ্ম্মভীৰু আৰু গতিপ্ৰিয় লোক। ৰবি ঠাকুৰে ভাৰতীয় আৰু ইউৰোপীয় শিক্ষা লাভ কৰিছিল। কাব্য সাহিত্যত ঠাকুৰৰ নাম বৰ বেছি। ১৯০১ চনত শান্তিনিকেতনত তেওঁ ভাৰতীয় ভাবৰ শিক্ষা পদ্ধতিৰে এটি বিদ্যালয় পাতে। ১৯১৩ চনত ৰবীন্দ্ৰনাথ ঠাকুৰে নোবেল প্ৰাইজ লাভ কৰে। ১৯১৫ চনত তেওঁক 'নাইট' উপাধি দিয়া হয়। গীতাঞ্জলি পুথি তেওঁৰেই ৰচিত।

তেওঁ নাটক, উপন্যাস, কবিতা আদি লিখি বঙ্গ সাহিত্য চহকী কৰি থৈছে। ইংৰাজী ভাষাতো তেওঁ কেবাখনো পুথি প্ৰকাশ কৰিছে। তেওঁৰ দিনতে বঙ্গদেশৰ লিখিত ভাষাৰো ঠাচ সলনি হয়। ঠাকুৰৰ সাহিত্যৰ মাজত

এটি পবিত্ৰ ভাবৰ সোৱাদ সদায়েই আছে। তেওঁৰ ভাষা বৰ সৰল অথচ কোমল। তেওঁৰ জীৱনী ১৯১৭ চনত আত্মীয়ে লিখে। ১৯৩০ চনত টমচনেও এখন লিখি প্ৰকাশ কৰিছিল।

---

# আবুল কালাম আজাদ।

মৌলানা আবুল কালাম আজাদৰ জন্ম মক্কা নগৰত হয়। উপজা চন ইং ১৮৮৮ চনৰ চেপ্টেম্বৰ। তেওঁৰ সৰু কালছোৱাখিনি মদিনাত অতিবাহিত হয়। তাতেই প্ৰাথমিক শিক্ষা লাভ কৰে। তাৰ পাচত পৃথিৱী বিখ্যাত আল-আজহাৰ বিশ্ববিদ্যালয়ত পঢ়িবলৈ যায়। ১৫ বছৰ বয়সতে তেওঁ "লিচানুল চিদ্দিক" নামৰ এখন আলোচনী প্ৰকাশ কৰে। লাহোৰৰ মাজখান কাকততো তেওঁ বহুত বিষয় আলোচনা কৰিছিল।

কোৰাণ আৰু ধৰ্ম্ম বিষয়ত তেওঁৰ চৰ্চ্চা বিশেষ আছে। জনাবুজা মানুহ হিচাপে আজাদৰ নাম গোটেই এছিয়াতে জনাজাত। তেওঁৰ ৰাজনৈতিক জীৱন আৰম্ভ হয় ১৯১২ চনৰ পৰা। তেওঁৰ প্ৰকাশিত "আল হিলাল" সেই সময়ৰ শ্ৰেষ্ঠ কাকত আলোচনী আছিল। তাৰ জৰীয়তে উৰ্দ্দু ভাষা ভাৰতবৰ্ষৰ মাজত আগত প্ৰচাৰ কৰিছিল। তেওঁ ভাৰতীয় মুছলমানৰ

সকলক জাতীয় মহাসভাত যোগ দিবলৈ অনুৰোধ কৰিছিল। চৰ্কাৰে পিচত এই কাকত বন্ধ কৰি দিলে।

১৯১৬ চনত বঙ্গ গৱৰ্ণৰে তেওঁক বঙ্গদেশৰপৰা পঠিয়াই দিয়ে। আন প্ৰাদেশিক গৱৰ্ণমেণ্ট বিলাকেও সেই প্ৰদেশবিলাকত সোমাবলৈ নিদিয়া হল। ৰাচিত তেওঁ আটক হয় আৰু অলপ দিনতে মুকলি হয়। ১৯২৩ চনত ভাৰতীয় কংগ্ৰেছৰ বিশেষ অধিবেশনত আজাদক সভাপতি পাতে। ১৯২১ চনৰপৰা অসহযোগত যোগ দিছিল। ১৯২৩ চনত তেওঁ স্বৰাজ্য দলত যোগ দিয়ে। তেওঁ কংগ্ৰেছৰ সভাপতি আছিল। তেওঁ নিচেই কম কথা কৈ ভাল পায়। কিন্তু তেওঁৰ কথা/কোৱা শক্তিও বৰ বেছি।

---

# পণ্ডিত জৱহৰলাল নেহেৰু

১৮৮৯ খ্ৰীষ্টাব্দত পণ্ডিত জৱহৰলাল নেহেৰুৰ জন্ম হয়। পণ্ডিত মতিলাল নেহেৰু তেওঁৰ পিতাক আৰু স্বৰূপৰাণী নেহেৰু মাক। তেওঁ বিলাতৰ কেম্ব্ৰিজৰ 'হেৰো তাৰু ট্ৰিনিটি' নামৰ কলেজৰ পৰা শিক্ষালাভ কৰি বাৰীষ্টাৰী পাচ কৰে।

এওঁ এজন বিশিষ্ট ৰাজনীতিজ্ঞ পুৰুষ। পৃথিবীৰ প্ৰায় সকলো দেশতেই এওঁ পৰিচিত। ভাৰতৰ স্বাধীনতাৰ বাবে

এওঁ জীৱন উছৰ্গি দিছে আৰু সেই বাবে ৭ বাৰ প্ৰায় ১২ বছৰ কাল জেল ভুগিছে। এওঁ ভাৰতীয় কংগ্ৰেছ মহা সভাৰ তিনিবাৰ সভাপতি হয়। এওঁ গোটেই ইউৰোপ বিশেষকৈ ৰুছিয়াত ভালদৰে ভ্ৰমণ কৰিছে।

এওঁ এজন বিখ্যাত লিখক। এওঁৰ আত্ম-জীৱনীখন সভ্য পৃথিবীৰ এখন বহুমূলীয়া গ্ৰন্থ। ভাৰতবাসীয়ে এওঁক বিশেষ শ্ৰদ্ধা কৰে আৰু জনসাধাৰণৰ ওপৰত এওঁৰ প্ৰতিপত্তি অশেষ। বৰ্ত্তমানে ভাৰতৰ প্ৰধান মন্ত্ৰী। এখেতৰ ভনীয়েক শ্ৰীযুতা বিজয়লক্ষ্মী পণ্ডিত যুক্ত প্ৰাদেশৰ প্ৰথম মহিলা মন্ত্ৰী আছিল।

---

## জামচেডজি টাটা

টাটাৰ নাম ব্যৱসায় ক্ষেত্ৰত জনাজাত। অলপ দিনৰ ভিতৰতে ব্যৱসায়ী হিচাপে জামচেডজিয়ে বিশেষ নাম কৰে। সি ভাৰতবাসীৰ অনুকৰণীয় বস্তু। টাটাই বি-এ পাছ কৰিবলৈ অলপ দিন থাকোতেই পঢ়া এৰি দিয়ে। বাপেকৰ লগত ব্যৱসায়ত লাগে। জামচেডৰ হাতত ব্যৱসায় দোপত দোপে উঠি আহিল। ১৮১৫ চনত টাটাই চীন দেশত টাটা কোম্পানী খোলে। জাপান ফৰাচী দেশতো তাৰ শাখা খোলা হয়। ভাৰতীয় ধনী সদাগৰ ৰামচাঁদ প্ৰেমচাঁদৰ সৈতে বিলা-

ততো ১৮৬৫ চনত বেঙ্ক খোলেগৈ। সেই সময়তে ভাৰতীয় কপাহৰ দাম কমি যায়। তেওঁৰ সেই কাৰণে বিদেশত কৰা ব্যৱসায়ৰ অন্ত পৰে।

তথাপি তেওঁ হতাশ নহৈ ভাৰতৰ ঠায়ে ঠায়ে কল-কাৰখানা খোলে। মৰাৰ সময়ত টাটাই বহুত টকা এৰি যায়। এই টকাৰ আলম লৈ তেওঁৰ পুতেক কিজনে লোৰ আৰু তাখাৰ কাৰখানা খোলে। এই ঠাই এতিয়া টাটা নগৰ বুলি জনাজাত। ই বিহাৰ প্ৰদেশত।

টাটাই দেশক বৰ ভাল পাইছিল। দেশৰ বস্তু দেশৰ কামত তেওঁ খটাইছিল। এইদৰে দেশৰ উপকাৰ তেওঁ কৰিব জানিছিল। বিজ্ঞান বিষয়ক আলোচনা তেওঁ বৰ ভাল পাইছিল। বাঙালোৰত এই বিষয়ৰ এটা অনুষ্ঠান তেওঁ কৰিছিল।

— —

# ৵সৰোজিনী নাইডু

ভাৰতীয় শিক্ষিত মহিলাসকলৰ ভিতৰত নাইডুৰ নাম লবলগীয়া। তেওঁ নিজে এগৰাকী সাহিত্য-সেবিকা। তেওঁৰ নাম অকল ভাৰততে জনাজাত নহয়। বিদেশতো নাইডুৰ আদৰ বৰ বেছি। তেওঁৰ ১৮৮৯ চনৰ ১৩ ফেব্ৰুৱাৰীত হায়দৰাবাদত জন্ম হয়। নাইডুৱে ইংৰাজী সাহিত্যৰ তিনিখন বৃহৎ

কাব্য লিখিছিল। সৰোজিনী নাইডুৰ বাকশক্তিও কম নহয়। সামাজিক আৰু শিক্ষা বিষয়ৰ উন্নতিৰ কাৰণে নাইডুৱে আজীৱন খাটিছে। ভাৰতৰ মহিলা জাগৰণৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত নাইডুও এগৰাকী।

ভাৰতৰ অসহযোগ আন্দোলনত তেওঁ সদায়েই যোগ দি আহিছে। মহাত্মা গান্ধীৰ সৰোজিনী নাইডুৰ ওপৰত অগাধ বিশ্বাস আছে। দেশৰ কাৰণে নাইডুৱে বহুতবাৰ ফাটেকলৈ গৈছে। তেওঁৰ ত্যাগ ভাৰতীয়ৰ আদৰ্শৰ বস্তু। ১৯২৫ চনৰ জাতীয় মহাসভাৰ তেওঁ সভানেত্ৰীও হৈছিল। মহিলাৰ ভিতৰত কংগ্ৰেছ মহাসভাৰ নাইডুৱেই প্ৰথম সভানেত্ৰী। বিজয়লক্ষ্মী পণ্ডিতো নাইডুৰ দৰেই জনাজাত মহিলা দেশ-সেৱিকা।

## ছাৰ চি, ভি, ৰমণ

ছাৰ চি. ভি ৰমণৰ জন্ম দিন ১৮৮৮ খ্ৰীষ্টাব্দৰ ৭ নৱেম্বৰত। তেওঁ বহুত পদাৰ্থৰ বিজ্ঞানৰ আলোচনা কৰিছে। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ অৰ্থ বিজ্ঞান শাখাৰ অধ্যাপক আছিল। তেওঁ শব্দ আৰু পোহৰৰ উৎপত্তিৰ কাৰণ বিচাৰি বহুত দিন আলোচনা কৰিছিল। ১৯২৮ চনত তেওঁ ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ সভাপতি হৈছিল। পাছত তেওঁৰ গুণৰ আদৰ কৰি [illegible]

লোৰত বিজ্ঞান বিষয়ৰ ডাইৰেক্টৰ পাতিছিল। ১৯৩০ চনত তেওঁ নোবেল প্ৰাইজ লাভ কৰে। পৰিষ্কাৰ বস্তুৰ মাজেদি কোনেকৈ পোহৰৰ ৰেখা পাৰ হয় ৰমণে তাক ফঁহিয়াই দেখুৱাইছে।

---

# মহম্মদ আলি জিন্না

১৮৭৬ খ্ৰীষ্টাব্দত মহম্মদ আলি জিন্না চাহাবৰ কৰাচী নগৰীত জন্ম হয়। কৰাচীত শিক্ষা লাভ কৰাৰ পাচত তেওঁ ইংলণ্ডলৈ যায় আৰু তাত উচ্চ শিক্ষা পায়। তেওঁ বম্বে হাইকোৰ্টত ওকালতি কৰে। ১৯০৬ চনত তেওঁ দাদাভাই নৌৰজীৰ প্ৰাইভেট চেক্ৰেটাৰী আছিল। ১৯১৯ চনত পঞ্জাৱত "ৰাউলত আইন" পাচ কৰাৰ বাবে চৰকাৰৰ কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ কৰি দিল্লীৰ 'লেজিছলেটিভ কাউন্সিলৰ' সভ্য পদ ইস্তফা দিয়ে। ঘুৰণীয়া মেজ-মেলবো তেওঁ এজন সভ্য আছিল।

বৰ্ত্তমানে তেওঁ মুছলিম লীগৰ প্ৰধান নেতা আৰু সভাপতি। তেওঁ এজন বিশিষ্ট ৰাজনীতিজ্ঞ পুৰুষ। তেওঁৰ বুধি বৰ চোকা আৰু তেওঁৰ দেশপ্ৰেমো প্ৰবল।

—সমাপ্ত—